**চন্দ্ৰবিন্দুৰ ব্যৱহাৰ ( ँ ) :** (অসমৰ জৌটনিত)

চন্দ্ৰবিন্দু হৈছে অনুনাসিক ধ্বনি। নাকেৰে উচ্চাৰণ কৰিবলগীয়া বৰ্ণৰ ওপৰত চন্দ্ৰবিন্দুৰ প্ৰয়োগ কৰা হয়। চন্দ্ৰবিন্দুৰ উচ্চাৰণৰ তাৰতম্য ঘটিলে শব্দৰ অৰ্থ সলনি হ'ব পাৰে। উদাহৰণস্বৰূপে— আহ-আঁহ, চা-ছাঁ, পাচ-পাঁচ, বাহ-বাঁহ আদি। কিছুমান শব্দত সম্প্ৰতি চন্দ্ৰবিন্দুৰ প্ৰয়োগ প্ৰায় লোপ পোৱাৰ উপক্ৰম হৈছে। যেনে— আঁঠু, সঁচা, ভেঁটি, দাঁত, ফেঁচা আদি।

মূল সংস্কৃত শব্দত থকা নাসিক্য বৰ্ণসমূহ লুপ্ত হৈ সৃষ্টি হোৱা তদ্ভৱ শব্দৰ লুপ্ত বৰ্ণটোৰ আগত চন্দ্ৰবিন্দু প্ৰয়োগ কৰা হয়। যেনে—

| | |
|---|---|
| অঙ্ক—আঁক | বঙ্কিম—বেঁকা |
| অঞ্চল—আঁচল | পুঞ্জি—পুঁজি |
| কণ্টক—কাঁইট | গণ্ডাৰ—গঁড় |

ভাণ্ডাৰ—ভঁৰাল
গ্ৰন্থন—গাঁথনি
কম্পন—কঁপনি
বংশ—বাঁহ

অন্ত—আঁত
দন্ত—দাঁত
গুম্ফ—গোঁফ
হংস—হাঁহ

মূল তৎসম শব্দৰ আন কোনো বৰ্ণ লোপ পালেও নাকেৰে উচ্চাৰণ কৰা বৰ্ণটোৰ ওপৰত চন্দ্ৰবিন্দু প্ৰয়োগ কৰা হয়। যেনে—

অষ্টবৎ—আঁঠু
কৰ্কট—কেকোঁৰা
কূপ—কুঁৱা
গোস্বামী—গোঁসাই
গৰ্ত—গাঁত
সত্য—সঁচা

অশ্বত্থ—আঁহত
কৰ্পাস—কঁপাহ
কুড়েলিকা—কুঁৱলি
ঘোটক—ঘোঁৰা
যুদ্ধ—যুঁজ
স্ৰোত—সোঁত

তৎসমৰ বাহিৰেও আন শব্দতো যেতিয়া নাসিক্য বৰ্ণ লোপ পায় তেতিয়া চন্দ্ৰবিন্দু দিয়া হয় হয়। যেনে—

দেখোন—দেখোঁ, মাথোন—মাথোঁ

স্বৰূপ বৰ্তমান কালৰ প্ৰথমা একবচন আৰু বহুবচন বুজোৱা ক্ৰিয়াপদত অনুনাসিক বৰ্ণ নাথাকিলে তেনে পদৰ অন্তিম বৰ্ণত চন্দ্ৰবিন্দু দিয়া হয়। যেনে—

খাওঁ, যাওঁ, উঠোঁ, বহোঁ, লিখোঁ, পঢ়োঁ ইত্যাদি। অৱশ্যে বৰ্তমান এই শব্দসমূহত চন্দ্ৰবিন্দুৰ প্ৰয়োগ প্ৰায়েই দেখা পোৱা নাযায়।

অনুনাসিক বৰ্ণ নথকা ধাতুত ওঁতা, ওঁতে আদি বিভক্তি লগ লাগিলে চন্দ্ৰবিন্দু প্ৰয়োগ কৰাটো বাধ্যতামূলক। উদাহৰণস্বৰূপে—

খাওঁতে, যাওঁতে, উঠোঁতে, বহোঁতে, লিখোঁতে, পঢ়োঁতে
খাওঁতা, যাওঁতা, উঠোঁতা, বহোঁতা, লিখোঁতা, পঢ়োঁতা আদি।

অনুনাসিক বৰ্ণৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহয়।

যেনে— গণোতে, শুনোতে, সানোতে, ভ্ৰমোতে, নামোতে, ৰান্ধোতে

গণোতা, শুনোতা, সানোতা, ভ্ৰমোতা, নামোতা, ৰান্ধোতা

অনুজ্ঞাবাচক ক্ৰিয়াৰ ক্ষেত্ৰত চন্দ্ৰবিন্দু প্ৰয়োগ কৰা নহয়। যেনে—

খাওক, যাওক, ৰওক, বহক, লিখক, পঢ়ক ইত্যাদি।

আন কিছুমান শব্দত চন্দ্ৰবিন্দুৰ প্ৰয়োগ নহয়। যেনে—

ভাও, লাও, নাও, নেওগ, নেওতা, নেওচা, খালেও, চালেও, কাচি, ফাকি, ভেটি, সৰ্কীয়নি।

**বিসৰ্গৰ ব্যৱহাৰ ঃ**

বিসৰ্গৰ নিজা উচ্চাৰণ নাই। আন বৰ্ণৰ পিছত লগ লাগিলে ইয়াৰ উচ্চাৰণ হ-ৰ দৰে হয়। ই এটা অযোগবাহ বৰ্ণ। ইয়াৰ ব্যৱহাৰ তৎসম শব্দতহে বেছি।

(ক) যিবোৰ তৎসম শব্দৰ শেষত ব্যঞ্জনান্ত ৰ্ আৰু স্ থাকে সেইবোৰত বিসৰ্গ ব্যৱহাৰ কৰা হয়। যেনে—পুনৰ্ = পুনঃ, মনস্ = মনঃ ইত্যাদি।

(খ) কোনো শব্দক সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰিলে কেতিয়াবা শব্দটোৰ আদ্যবৰ্ণৰ পিছত বিসৰ্গ ব্যৱহাৰ কৰিব পাৰি। যেনে— ডাক্তৰ— ডাঃ, মিষ্টাৰ— মিঃ।

**উৰ্ধ্বকমাৰ ব্যৱহাৰ ঃ ('.....', ".....") ঃ**

আনে কোৱা কথা উদ্ধৃত কৰিলে সাধাৰণতে উৰ্ধ্বকমা ব্যৱহাৰ কৰা হয়। বাক্যত উৰ্ধ্বকমা এটাকৈ '.....' আৰু দুটাকৈ "...." ব্যৱহাৰ কৰা হয়। উদ্ধৃতিৰ মাজত উদ্ধৃতি থাকিলেহে দুটা উৰ্ধ্বকমা ব্যৱহাৰ কৰা উচিত। যেনে— পাৰ্থই ক'লে, "ভণ্টিয়ে কৈছিল,'মা আজি ফুৰিবলৈ যাব'।" অসমীয়া আখৰ জোঁটনিত অ-স্বৰত কিছুমান শব্দত উৰ্ধ্বকমা দি লিখা হয়। উৰ্ধ্বকমা সঠিক স্থানত ব্যৱহাৰ নকৰিলে শব্দ ভুল হোৱাৰ লগতে অৰ্থৰো পৰিৱৰ্তন ঘটে। যেনে— ম'ৰা—মৰা, ৰ'দ—ৰদ, ম'হ—মহ, গ'লত—গলত ইত্যাদি যুৰীয়া শব্দৰ প্ৰত্যেকৰে অৰ্থ সুকীয়া। উৰ্ধ্বকমাৰ প্ৰয়োগে শব্দবোৰৰ অৰ্থ সুকীয়া কৰিছে।

একেদৰে, ব'হাগ, ৰ'দালি, ব'ৰাগী, দ'ল ইত্যাদি শব্দত উৰ্ধ্বকমা নিদিলে উচ্চাৰণ সঠিক ন'হব।

অ-স্বৰান্ত ক, থ, ব, ৰ, ল, হ ধাতু আৰু যা ধাতুৰ গ-ৰূপৰ পিছত ইল প্ৰত্যয়ৰ ল যোগ হ'লে ধাতুবোৰ সদায় উৰ্ধ্বকমা যুক্ত হয়। অৰ্থাৎ এই ধাতুবোৰৰ অন্তত থকা অ-বোৰ অ' হিচাপে ব্যৱহাৰ হয়। যেনে—

ক-ধাতু—ক'লো, ক'লে

থ-ধাতু—থ'লে, থ'লত

ব-ধাতু—ব'লা, ব'লত(তাঁত বোৱা অৰ্থত)

ৰ-ধাতু—ৰ'লি, ৰ'লে

ল-ধাতু—ল'লা, ল'লত

হ-ধাতু—হ'লা, হ'ল

যা-ধাতু—গ'ল, গ'লা, গ'লি ইত্যাদি।